# NSD NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 14-03-2026
**Time:** 19-10 Hrs

***Assamese Evening Bulletin***

::::::::::::::::::::::::::::::::::::::::::::

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি অসমৰ শিলচৰত ২৩ হাজাৰ ৫৫০ কোটি টকা ব্যয় সাপেক্ষ কেইবাটাও প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰে।

২। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি কোলকাতাত বহুকেইটা প্ৰকল্পৰ উদ্বোধন কৰি এই প্ৰকল্পসমূহৰ ৰূপায়ণে পশ্চিমবংগৰ বিকাশ ত্বৰান্বিত কৰাই নহয় বৰং সমগ্ৰ পূৰ্বোত্তৰৰ বিকাশ নিশ্চিত কৰিব বুলি মত প্ৰকাশ কৰিছে।

৩। উপ ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণে আজি হিমাচল প্ৰদেশৰ ধৰমশালাত থকা কেন্দ্ৰীয় বিশ্ববিদ্যালয়ৰ নৱম দীক্ষান্ত সমাৰোহত অংশগ্ৰহণ কৰে।

৪। শিৱালিক আৰু নন্দা দেৱী নামৰ দুখন ভাৰতীয় জাহাজ আজি পুৱতি নিশা হৰমুজ প্ৰণালীৰে সুৰক্ষিতভাৱে পাৰ হৈ আহে। *আৰু*

৫। এফ আই এইচ মহিলা হকী বিশ্বকাপ কোৱালিফায়াৰৰ ফাইনেলত আজি ভাৰত ইংলেণ্ডৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি অসমৰ শিলচৰত ২৩ হাজাৰ ৫৫০ কোটি টকা ব্যয় সাপেক্ষ কেইবাটাও প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰে। বৰাক উপত্যকাৰ উন্নয়নৰ লক্ষ্যৰে নিৰ্মাণ কৰিবলগীয়া ২২ হাজাৰ ৮৬৪ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰা শিলচৰ হাইস্পীড কৰিডৰ, প্ৰায় ৫৬৫ কোটি টকা ব্যয়ৰে নিৰ্মাণ কৰা শিলচৰ টাউন উৰণ সেতু আৰু ১২২ কোটি টকা ব্যয় সাপেক্ষ পাথাৰকান্দি কৃষি মহাবিদ্যালয় আছে। শিলচৰৰ অম্বিকাপুৰত আজি এই উপলক্ষে আয়োজিত অনুষ্ঠানত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা, কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোনোৱাল, বৰাক উপত্যকা উন্নয়ন বিভাগৰ মন্ত্ৰী কৌশিক ৰায়কে ধৰি কেইবাগৰাকী সাংসদ আৰু বিধায়ক উপস্থিত আছিল। প্ৰধানমন্ত্ৰীৰ শিলচৰ ভ্ৰমণ কালতে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই বৰাকৰ শ্ৰীকোণাত নিৰ্মাণ কৰা মিনি সচিবালয় আৰু দাৰগাকোণাৰ মিঠাপানীত অসম চৰকাৰৰ নগৰ আৰু গৃহ নিৰ্মাণ বিভাগৰ সন্মিলন কেন্দ্ৰ উদ্বোধন কৰে।

অসম ভ্ৰমণ সামৰি প্ৰধানমন্ত্ৰী পশ্চিমবংগত উপস্থিত হয়।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি কোলকাতাত প্ৰায় ১৮ হাজাৰ ৬৮০ কোটি টকা ব্যয় সাপেক্ষ বহুকেইটা প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰে। এই উপলক্ষে দিয়া ভাষণত প্ৰধানমন্ত্ৰীয়ে কয় যে এই প্ৰকল্পসমূহে কেৱল পশ্চিমবংগৰ বিকাশ ত্বৰান্বিত কৰি তোলাই নহয় বৰং সমগ্ৰ পূৰ্বোত্তৰৰ বিকাশ নিশ্চিত কৰিব।

এই প্ৰকল্পসমূহৰ ৰূপায়ণে অঞ্চলটোত বাণিজ্য আৰু উদ্যোগ খণ্ডক শক্তিশালী কৰি তোলাৰ লগতে লাখ লাখ লোকৰ জীৱন সুচল কৰি তুলিব আৰু তেওঁলোকৰ বাবে ন-ন দুৱাৰ মুকলি কৰিব বুলি প্ৰধানমন্ত্ৰীয়ে উল্লেখ কৰে।

তেওঁ কয়, যে সমগ্র দেশতে ৰেলৰে খণ্ডৰ আধুনিকীকৰণৰ বাবে দ্রুত গতিত কাম অব্যাহত আছে আৰু পশ্চিমবংগ যাতে এই অভিযানত পিছ পৰি নৰয় তাৰ বাবে চৰকাৰ সংকল্পবদ্ধ। কোলকাতা আৰু হালদিয়াৰ দৰে বন্দৰসমূহ পূৰ্বৰে পৰা পূৱ ভাৰতৰ মূল বাণিজ্যিক কেন্দ্ৰ হিচাপে পৰিগণিত হৈ আহিছে বুলিও তেওঁ উল্লেখ কৰে।

পথ আন্তঃগাথনিৰ উল্লেখযোগ্য উন্নয়নৰ চিন স্বৰূপে তেওঁ প্ৰায় ১৬ হাজাৰ ৯৯০ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰিবলগীয়া ৪২০ কিলোমিটাৰতকৈও অধিক দৈৰ্ঘ্যৰ কেইবাটাও ৰাষ্ট্ৰীয় ঘাইপথ প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰে। প্ৰধানমন্ত্ৰীয়ে এই প্ৰকল্পসমূহৰ ভিতৰত পশ্চিমবংগ আৰু ঝাৰখণ্ডৰ ১৯ নম্বৰ আৰু ১১৪ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ একাংশ উদ্বোধন কৰে। এই প্ৰকল্পসমূহৰ নিৰ্মাণে পথ সুৰক্ষা বৃদ্ধিৰ লগতে ভ্ৰমণৰ সময় হ্ৰাস কৰা, প্ৰদূষণ হ্ৰাস কৰা, অঞ্চলসমূহৰ মাজৰ যোগাযোগ ব্যৱস্থা উন্নত কৰা, পৰ্যটনৰ প্ৰসাৰ  আৰু অঞ্চলটোৰ অৰ্থনৈতিক বিকাশ উন্নত কৰি তুলিব বুলি আশা কৰা হৈছে। প্ৰধানমন্ত্ৰীয়ে কেইবাটাও নতুন ৰাষ্ট্ৰীয় ঘাইপথ প্ৰকল্পৰো আধাৰশিলা স্থাপন কৰে। ইয়াৰে ভিতৰত ১১৬ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ ২৩১ কিলোমিটাৰ দৈৰ্ঘ্যৰ চাৰিলেনযুক্ত খড়গপুৰ-মোৰগ্ৰাম ইকনমিক কৰিড'ৰৰ ৫ টা পেকেজো আছে। খড়গপুৰ আৰু মোৰগ্ৰামৰ মাজৰ পোনপটীয়া যোগাযোগে যাত্ৰাৰ দূৰত্ব প্ৰায় ১২০ কিলোমিটাৰ হ্ৰাস কৰাৰ লগতে প্ৰায় ৭ - ৮ ঘণ্টা সময় ৰাহি কৰিব। প্ৰধানমন্ত্ৰীয়ে ১৪ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ ৫ দশমিক ৬ কিলোমিটাৰ দৈৰ্ঘ্যৰ ৪ লেনযুক্ত দুবৰাজপুৰ বাইপাচৰো আধাৰশিলা স্থাপন কৰে। এই ভ্ৰমণৰ সময়ছোৱাত প্ৰধানমন্ত্ৰীয়ে কেইবাটাও জাহাজ আৰু বন্দৰ প্ৰকল্পৰো উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰে। তেওঁ হালদিয়া ডক কমপ্লেক্সৰ ২ নম্বৰ বাৰ্থৰ যান্ত্ৰিকীকৰণ প্ৰকল্প উদ্বোধন কৰে। ইয়াত দক্ষতাৰে, দ্ৰুত আৰু পৰিবেশ অনুকুলভাৱে সামগ্ৰীসমূহৰ অনা-নিয়া আৰু স্থানান্তৰ কৰিব পৰা যাব। প্ৰধানমন্ত্ৰীয়ে লগতে খিদ্দেৰপুৰ ডকচৰ পুনৰ নিৰ্মাণ প্ৰকল্পও উদ্বোধন কৰে। প্ৰধানমন্ত্ৰীয়ে  ৰাজ্যখনৰ ৰে'লৰে খণ্ডত পুৰুলীয়া - আনন্দবিহাৰ টাৰ্মিনেল এক্সপ্ৰেছৰ পতাকা জোকাৰি শুভাৰম্ভ কৰিব। ইয়াৰ জৰিয়তে পশ্চিমবংগ, বিহাৰ, ঝাৰখণ্ড, উত্তৰ প্ৰদেশ আৰু ৰাষ্ট্ৰীয় ৰাজধানী ক্ষেত্ৰৰ মাজৰ ৰে'ল যোগাযোগ শক্তিশালী হৈ উঠিব। অমৃত ষ্টেছন আঁচনিৰ অধীনত প্ৰধানমন্ত্ৰীয়ে ছটা নতুনকৈ বিকশাই তোলা ৰে'ল ষ্টেছন মুকলি কৰে। এই পদক্ষেপে পশ্চিমবংগ আৰু পূৱ ভাৰতত আন্তঃগাথনি শক্তিশালী কৰি তোলাৰ লগতে যোগাযোগ বৃদ্ধি আৰু অৰ্থনৈতিক বিকাশ ত্বৰান্বিত কৰি তোলাৰ প্ৰতি চৰকাৰৰ প্ৰতিশ্ৰুতিবদ্ধতাকে দৰ্শাই বুলি উল্লেখ কৰে। ০০০০

০০০০০

উপ ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণে কয় যে দেশৰ সশস্ত্ৰ সীমাবাহিনী হিমাচল প্ৰদেশৰ অৱদান লেখত ল'বলগীয়া আৰু ইয়াৰ চহকী সংস্কৃতি, সভ্যতা, পৰম্পৰা আৰু উষ্ম আতিথ্যৰ বাবে দেশজুৰি ৰাজ্যখন অতি জনপ্ৰিয়। হিমাচল প্ৰদেশৰ ধৰমশালাস্থিত কেন্দ্ৰীয় বিশ্ববিদ্যালয়ৰ নৱম দীক্ষান্ত সমাৰোহত ভাষণ দি উপ ৰাষ্ট্ৰপতিগৰাকীয়ে এইদৰে কয়। বৰ্তমান সময়ত বিশ্ববিদ্যালয়সমূহে উচ্চ শিক্ষাৰ ব্যৱস্থাটো বিশ্বব্যাপি প্ৰতিযোগিতামূলক কৰি গঢ়ি তুলিবৰ বাবে অধ্যাপকসকলৰ শৈক্ষিক উন্নয়নক অগ্ৰাধিকাৰ দিয়া, উদ্ভাৱনক উৎসাহিত কৰাৰ লগতে সহযোগিতা শক্তিশালী কৰা উচিত বুলি  তেওঁ মন্তব্য কৰে। ২০৪৭ চনৰ বিকশিত ভাৰতৰ লক্ষ্যত উপনীত হ'বলৈ ছাত্ৰ-ছাত্ৰীসকলৰ লগতে যুৱ প্ৰজন্মৰ উন্নয়ন অতি গুৰুত্বপূৰ্ণ বুলি তেওঁ মন্তব্য কৰে। শ্ৰীৰাধাকৃষ্ণণে কয় যে সামগ্ৰিক উন্নয়নত অধিক গুৰুত্ব আৰোপ কৰিব লাগে যাতে কোনো ৰাজ্য, কোনো সমাজ বিকাশৰ যাত্ৰাত পিছপৰি নৰয়। উপৰাষ্ট্ৰপতিগৰাকীয়ে ৰাজ্যখনৰ যুদ্ধ স্মাৰক পৰিদৰ্শন কৰাৰ লগতে ছহিদ বেদীত মাল্যাৰ্পন কৰি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। এই উপলক্ষে ভাষণ দি তেওঁ আৰু কয় যে  হিমাচল প্ৰদেশৰ ভূমিয়ে বহু প্ৰজন্ম ধৰি সাহসী বীৰৰ জন্ম দি আহিছে যাৰ সাহস, বীৰত্ব আৰু দেশপ্ৰেমে দেশৰ লগতে জাতিটোলৈ গৌৰৱ কঢ়িয়াই আনিছে। ০০০০

ooooo

শিৱালিক আৰু নন্দা দেৱী নামৰ দুখন ভাৰতীয় জাহাজ আজি পুৱতি নিশা হৰমুজ প্ৰণালীৰে সুৰক্ষিতভাৱে পাৰ হৈ আহে। জাহাজ, বন্দৰ পৰিবহন আৰু জলপথ মন্ত্ৰালয়ৰ বিশেষ সচিব ৰাজেশ কুমাৰ সিনহাই আজি সন্ধিয়া নতুন দিল্লীত আন্তঃমন্ত্ৰালয়ৰ সংবাদ মাধ্যমক সম্বোধন কৰি এই বিষয়ে অৱগত কৰে। এই জাহাজ দুখনে ৯২ হাজাৰ ৭০০ মেট্ৰিকটন এল পি জি কঢ়িয়াই আনে বুলি তেওঁ কয়। অহা ১৬ আৰু ১৭ মাৰ্চত জাহাজ দুখন মুন্দ্ৰা আৰু কান্দলা বন্দৰত উপস্থিত হ'ব বুলি শ্ৰীসিনহাই লগতে উল্লেখ কৰে। পেট্ৰেলিয়াম আৰু প্ৰাকৃতিক গেছ মন্ত্ৰালয়ৰ যুটীয়া সচিব সুজাতা শৰ্মাই প্ৰকাশ কৰা অনুসৰি দেশত পৰ্যাপ্ত পৰিমানে ডিজেল আৰু পেট্ৰল মজুত থকাৰ লগতে কোনো ধৰণৰ খুচুৰা দোকান বা এল পি জি বিতৰকৰ ওচৰত চিলিণ্ডাৰৰ নাটনি হোৱা নাই। দেশত পৰ্যাপ্ত পৰিমাণে খাৰুৱা তেল মজুত আছে বুলিও তেওঁ মন্তব্য কৰে। যুটীয়া সচিবগৰাকীয়ে জনসাধাৰণক তভাতৈয়াকৈ চিলিণ্ডাৰ বুকিং নকৰি প্ৰয়োজনতহে বুকিং কৰিবলৈ আহ্বান জনায়। বাণিজ্যিক চিলিণ্ডাৰো ৰাজ্য চৰকাৰসমূহক যোগান ধৰা হৈছে বুলি তেওঁ কয়। বৈদেশিক পৰিক্ৰমা দপ্তৰৰ উপ সাগৰীয় অঞ্চলৰ অতিৰিক্ত সচিব পশ্চিম মহাজনে যোৱা ২৮ ফেব্ৰুৱাৰীৰ পৰা এতিয়ালৈকে ১ লাখ ৭২ হাজাৰ ভাৰতীয়ক পশ্চিম এছিয়াৰ পৰা নিজ গৃহলৈ প্ৰেৰণ কৰা হৈছে বুলি জানিবলৈ দিয়ে। দেশখনৰ বিভিন্ন বিমান বন্দৰৰ পৰা অতিৰিক্তভাৱে বহুকেইখন বিমানৰ উৰণ আৰম্ভ কৰি বিমান যোগাযোগ ব্যৱস্থা অধিক সূচল কৰি তোলা হৈছে বুলি তেওঁ উল্লেখ কৰে। এই বিমানসমূহ ওমান, চৌদি আৰব, কাটাৰ, সংযুক্ত আৰব আমিৰী ৰাষ্ট্ৰৰ পৰা চলাচল কৰোৱা হৈছে বুলি শ্ৰীমহাজনে কয়। তেওঁ লগতে ভাৰতলৈ পোনপটীয়া বিমান যোগাযোগ নথকা বাহৰেইন, কুৱেইট আৰু ইৰাকত থকা ভাৰতীয় নাগৰিকসকলৰ ভিছাৰ সময়সীমা বৃদ্ধিৰ লগতে চৌদি আৰব হৈ যাত্ৰা কৰিবৰ বাবে ট্ৰেনজিত ভিছাৰ ব্যৱস্থা কৰা হৈছে বুলিও জানিবলৈ দিয়ে।

ooooo

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি পাঞ্জাৱত অহা বছৰ হ'বলগীয়া নিৰ্বাচনৰ বাবে প্ৰচাৰ আৰম্ভ কৰে। কিলি স্বাহলান নামৰ গাওঁৰ পৰা উলিওৱা বদলাৰ ৰেলী শীৰ্ষক এটা সমাবেশত অংশগ্ৰহণ কৰি দিয়া ভাষণত শ্ৰীশ্বাহে কয় যে যদি ভাৰতীয় জনতা পাৰ্টী শাসনলৈ আহে তেন্তে আগন্তুক ২ বছৰৰ ভিতৰত পাঞ্জাৱক নিচামুক্ত ৰাজ্য হিচাপে গঢ়ি তুলিব।

পাঞ্জাৱত বৃদ্ধি হোৱা অপৰাধমূলক কাৰ্য, দুৰ্নীতি আৰু কৃষকৰ দুৰাৱস্থাৰ বাবে তেওঁ বৰ্তানৰ আম আদমী পাৰ্টীৰ চৰকাৰক জগৰীয়া কৰে। ৰাজ্য খনৰ পৰা এই অচলাৱস্থা দূৰ কৰি সুস্থ সৱল পৰিবেশ গঢ়ি তোলাৰ বাবে ভাৰতীয় জনতা পাৰ্টীক শাসনলৈ আনিবলৈ শ্ৰীশ্বাহে ৰাজ্যবাসীক আহ্বান জনায়। শিখ ধৰ্মগুৰু, শ্বহিদসকলৰ লগতে ৰাজ্যখনৰ শিখ ধৰ্মাৱলম্বী লোকসকলক সন্মান জনাই শ্ৰীশ্বাহে কয় যে বহু আগৰে পৰা বিজেপিয়ে পাঞ্জাৱৰ ৰাজনৈতিক ক্ষেত্ৰখন ভাতৃৰ দৰে কাম কৰি আহিছে কিন্তু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত বিজেপিয়ে এইবাৰ চৰকাৰ গঠন কৰি ৰাজ্যখনৰ হেৰুৱা যশ পুনৰুদ্ধাৰ কৰিবলৈ বিচাৰিছে।

ooooo

এফ আই এইচ মহিলা হকী বিশ্বকাপ কোৱালিফায়াৰৰ ফাইনেলত আজি ভাৰত ইংলেণ্ডৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন তেলেংগানাৰ জি এম চি বালাযোগী হকী গ্ৰাউণ্ডত সন্ধিয়া চাৰে ৭ বজাত অনুষ্ঠিত হ'ব। দুয়োটা দলেই ফাইনেল পৰ্যন্ত অপৰাজিত হৈ আছে। চালিমা টেটেৰ নেতৃত্বৰ ভাৰতৰ দলটোৱে যোৱা নিশা অনুষ্ঠিত ছেমি

ফাইনেলত ইটালীক ১-০ গ'লত পৰাস্ত কৰি ফাইনেলত প্ৰৱেশ কৰে। ভাৰতৰ মনীষা চৌহানে খেলখনৰ ৪০ মিনিটত একমাত্ৰ গ'ল দি দলক জয় লাভ কৰোৱায়।

ooooo

ঃঃ সমাপ্ত ঃঃ